কিয়ামতৰ দিনা সৰ্বপ্ৰথম মানুহৰ মাজত সিহঁতৰ ৰক্তপাত সম্পৰ্কে বিচাৰ ফয়চালা কৰা হ'ব।

আব্দুল্লাহ বিন মাছউদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "কিয়ামতৰ দিনা সৰ্বপ্ৰথম মানুহৰ মাজত সিহঁতৰ ৰক্তপাত সম্পৰ্কে বিচাৰ ফয়চালা কৰা হ'ব।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে উল্লেখ কৰিছে যে, মানুহৰ মাজত হোৱা অন্যায়-অত্যাচাৰৰ মীমাংসাৰ ক্ষেত্ৰত কিয়ামতৰ দিনা সৰ্বপ্ৰথম ৰক্তপাত সম্পৰ্কীয় বিচাৰ হ'ব। যেনে- হত্যা আৰু আঘাত সম্পৰ্কীয় বিচাৰ আদি।

http://www.sunnah.global/hadeeth/as/show/2962